**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 7-06-2024
**Time :** 1715 Hrs.

***ASSAMESE REGIONAL EVENING BULLETIN***

***::::::::::::::::::::::::::::::::::***

বিজেপিৰ জ্যেষ্ঠ নেতা নৰেন্দ্ৰ মোদীয়ে পৰহিলৈ তৃতীয়বাৰৰ বাবে প্ৰধানমন্ত্ৰী হিচাপে শপতগ্ৰহণ কৰিব। ৰাষ্ট্ৰপতি ভৱনত সন্ধিয়া ৬ বজাত শপতগ্ৰহণ অনুষ্ঠান অনুষ্ঠিত হ'ব। ৰাষ্ট্ৰপতি শ্ৰী মতী দ্ৰৌপদী মুৰ্মুৱে নৰেন্দ্ৰ মোদী আৰু তেওঁৰ নতুন কেবিনেটক শপতবাক্য পাঠ কৰোৱাব।এন ডি এৰ নেতাসকলে আজি ৰাষ্ট্ৰপতিক সাক্ষাৎ কৰি নতুন চৰকাৰ গঠনৰ বাবে দাবী জনায়। ইতিমধ্যে এন ডি এৰ সংসদীয় দলে সৰ্বসন্মতি ক্ৰমে নৰেন্দ্ৰ মোদীক তেওঁলোকৰ নেতা হিচাপে নিৰ্বাচন কৰিছে। নতুন দিল্লীৰ পুৰণি সংসদ ভৱনৰ চেণ্ট্ৰেল হলত অনুষ্ঠিত এন ডি এ সংসদীয় দলৰ বৈঠকত বিজেপিৰ জ্যেষ্ঠ নেতা তথা কেন্দ্ৰীয় মন্ত্ৰী ৰাজনাথ সিঙে এন ডি এৰ নেতা হিচাপে শ্ৰী মোদীৰ নাম প্ৰস্তাৱ কৰে। এই প্ৰস্তাৱত এন ডি এৰ সকলো দলে সমৰ্থন জনায়। শ্ৰী মোদী লোকসভাত বিজেপিৰ নেতা হিচাপে নিৰ্বাচিত হোৱাৰ লগতে বিজেপি সংসদীয় দলৰ নেতা হিচাপেও নিৰ্বাচিত হৈছে।

তেলেগুদেশম পাৰ্টীৰ মুৰব্বী চন্দ্ৰবাবু নাইডুৱে কয় যে, নৰেন্দ্ৰ মোদীৰ দুৰদৰ্শী নেতৃত্বৰ অধীনত এন ডি এ চৰকাৰে বিগত ১০ বছৰত গুৰুত্বপূৰ্ণ পদক্ষেপ গ্ৰহণ কৰিছে। মোদীৰ নেতৃত্বক প্ৰশংসা কৰি তেওঁ কয় যে, ভাৰতে এগৰাকী সঠিক নেতা লাভ কৰিছে। প্ৰধানমন্ত্ৰীৰ প্ৰতি সমৰ্থন ব্যক্ত কৰি বিহাৰৰ মুখ্যমন্ত্ৰী তথা জে ডি ইউৰ সভাপতি নীতিশ কুমাৰে মোদীৰ নেতৃত্বত একেলগে কাম কৰি যোৱাৰ আকাংক্ষা ব্যক্ত কৰে। মহাৰাষ্ট্ৰৰ মুখ্যমন্ত্ৰী আৰু শিৱসেনাৰ সিন্দে দলৰ নেতা একনাথ সিন্দে, এল জে পি আৰৰ মুৰব্বী চিৰাগ পাছৱান, এন চি পিৰ নেতা অজিত পাৱাৰ, জনসেনাৰ মুৰব্বী পৱন কল্যাণ, আপনা দল এছৰ নেতা অনুপ্ৰিয়া পেটেল আৰু জে ডি এছৰ নেতা এইচ ডি কুমাৰাস্বামীয়েও প্ৰস্তাৱত সমৰ্থন জনায়। শ্ৰী মোদীয়ে ভাষণ প্ৰসংগত এন ডি এ ক্ষমতাৰ বাবে একত্ৰিত হোৱা নাই বুলি উল্লেখ কৰি কয় যে, এই মিত্ৰজোঁটে সদায় দেশক অগ্ৰাধিকাৰ দি কাম কৰি যোৱাৰ বাবে প্ৰতিশ্ৰুতিবদ্ধ। তেওঁ লগতে এন ডি এক ভাৰতৰ ইতিহাসৰ আটাইতকৈ সফল মিত্ৰজোঁট হিচাপে আখ্যা দিয়ে। দেশৰ জনসাধাৰণে ২২ খন ৰাজ্যত চৰকাৰ গঠনৰ জৰিয়তে এন ডি এক পুনৰ দেশসেৱাৰ সুবিধা প্ৰদান কৰিছে বুলি শ্ৰী মোদীয়ে প্ৰকাশ কৰে। এন ডি এ চৰকাৰে সুপ্ৰশাসন তথা বিকাশৰ ওপৰত গুৰুত্ব আৰোপ কৰাৰ লগতে সৰ্বসাধাৰণৰ জীৱনত ন্যূনতম হস্তক্ষেপ কৰাৰ হে পোষকতা কৰে বুলি তেওঁ কয়। শ্ৰী মোদীয়ে জনসাধাৰণৰ জীৱন শৈলী উন্নত কৰাৰ ওপৰত বিশেষ গুৰুত্ব আৰোপ কৰা হ'ব বুলি উল্লেখ কৰে। শ্ৰী মোদীয়ে লোকসভা নিৰ্বাচনত কংগ্ৰেছে ১০০ খন আসন লাভ কৰিব নোৱৰা দিশটোৰ প্ৰতি উনুকিয়াই দিয়াৰ লগতে বিৰোধী মিত্ৰজোঁটক সমালোচনা কৰে। ইপিনে বিজেপিৰ সভাপতি জে পি নাড্ডাই ওড়িশা আৰু অন্ধ্ৰপ্ৰদেশত দলটোৰ সাফল্যক প্ৰশংসা কৰে। অনুষ্ঠানত আৰ এল ডিৰ মুৰব্বী জয়ন্ত চৌধুৰীৰ লগতে পীয়ুষ গোৱেল, অনুৰাগ ঠাকুৰকে ধৰি কেইবাগৰাকীও কেন্দ্ৰীয় মন্ত্ৰী উপস্থিত থাকে। তদুপৰি উত্তৰপ্ৰদেশৰ মুখ্যমন্ত্ৰী য়োগী আদিত্য নাথ, গুজৰাটৰ মুখ্যমন্ত্ৰী ভূপেন্দ্ৰ পাটেল, মধ্যপ্ৰদেশৰ মুখ্যমন্ত্ৰী মোহন য়াদৱ, গোৱাৰ মুখ্যমন্ত্ৰী প্ৰমোদ সাৱান্ত, অসমৰ মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মা আৰু মণিপুৰৰ মুখ্যমন্ত্ৰী

এন বিৰেণ সিঙো উপস্থিত থাকে। ইপিনে এন ডি এৰ নেতা হিচাপে নিৰ্বাচিত হোৱাৰ পাছত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি বিজেপিৰ জ্যেষ্ঠ নেতা লালকৃষ্ণ আদৱানী আৰু মুৰুলী মনোহৰ যোশীক সাক্ষাৎত কৰি তেওঁলোকৰ আশীৰ্বাদ লয়। শ্ৰী মোদীয়ে লগতে প্ৰাক্তন ৰাষ্ট্ৰপতি ৰাম নাথ কোবিন্দকো নতুন দিল্লীত থকা তেওঁৰ বাসগৃহত সাক্ষাৎ কৰে।

oooooooo

জলসম্পদ মন্ত্ৰী পীযুষ হাজৰিকাই গোৱালপাৰাৰ মথাউৰিৰ সমস্যা স্থায়ীভাৱে সমাধান কৰাৰ বাবে বিশেষ ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলি সদৰি কৰিছে। মন্ত্ৰীগৰাকীয়ে আজি গোৱালপাৰাৰ মাটিয়া অঞ্চলৰ মজগুৰিত দুধনৈ নদীৰ মথাউৰি পৰ্যৱেক্ষণ কৰি স্পৰ্শকাতৰ ঠাইসমূহ মেৰামতি কৰাৰ বাবে বিভাগটোক নিৰ্দেশ দিয়ে। বিগত দুটা বছৰত দুধনৈ আৰু কৃষ্ণাই নদীৰ পানীয়ে জিলাখনৰ মথাউৰিসমূহৰ ক্ষতি কৰা বুলি উল্লেখ কৰি তেওঁ কয় যে, গোৱালপাৰাৰ ১১০ কিলোমিটাৰ দৈৰ্ঘ্যৰ মথাউৰিৰ ভিতৰত ৬০ কিলোমিটাৰ অংশ পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগে নিৰ্মাণ কৰা। তেওঁ লগতে কয় যে, এই বিশেষ অংশটো পৰ্যায়ক্ৰমে জলসম্পদ বিভাগৰ অধীনলৈ আনি স্থায়ীভাৱে সমস্যা সমাধানৰ চেষ্টা কৰা হ'ব।

oooooooo

মৰিগাঁও জিলাৰ আয়ুক্ত দেৱাশিষ শৰ্মাই খহনীয়া প্ৰতিৰোধ সন্দৰ্ভত নেডাৰলেণ্ডছৰ এগৰাকী প্ৰতিনিধিৰ সৈতে আজি এখন বিশেষ বৈঠকত মিলিত হয়। নেডাৰলেণ্ডছৰ প্ৰতিনিধিগৰাকীয়ে গছপুলি ৰোপণৰ জৰিয়তে প্ৰাকৃতিক উপায়েৰে খহনীয়া প্ৰতিৰোধ কৰাৰ ব্যৱস্থা সন্দৰ্ভত বিশেষ ব্যাখ্যা আগবঢ়ায়। উল্লেখযোগ্য যে, আয়ুক্তগৰাকীয়ে আজি জিলাখনৰ মৰিগাঁও ৰাজহচক্ৰৰ অধীনৰ বান ক্ষতিগ্ৰস্ত অঞ্চলসমূহ পৰিদৰ্শন কৰে। নিজ তেতেলীয়া মৌজাৰ অধীনৰ মৰাকলং, উত্তৰখোলা মৌজাৰ অধীনৰ সৰলপাম, দুৰুলাডুবী, পূব ধৰমটোল আদি অঞ্চল পৰিদৰ্শন কৰি স্থানীয় লোকসকলৰ সৈতে মত বিনিময় কৰে। পৰিদৰ্শন কালত আয়ুক্তগৰাকীৰ সৈতে মৰিগাঁও চক্ৰবিষয়াকে ধৰি কেইবাগৰাকীও কৰ্মচাৰী উপস্থিত থাকে। উল্লেখযোগ্য যে, মৰিগাঁও ৰাজহচক্ৰৰ ১৫ খন আৰু মায়ং ৰাজহচক্ৰৰ ৪২ খনকে ধৰি জিলাখনৰ বিভিন্ন অঞ্চল বানত প্লাৱিত হৈছে।

oooooooo

ঃসমাপ্তঃ